# তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ ৰ মূল বৈশিষ্ট্যসমূহ

আইনখনৰ চমু শিৰোনামাটো ‘তথ্যৰ স্বাধীনতা আইন’ৰ পৰা ‘তথ্য জনাৰ অধিকাৰ আইন’লৈ সলনি কৰা হ’ল।
আইনখনৰ আৰম্ভণিৰ বাবে এটা নিৰ্দ্দিষ্ট দিন ধাৰ্য্য কৰিছে, অৰ্থাৎ আইনখন প্ৰণয়ন কৰাৰ পৰা ১২০ দিন।
‘লোক কৰ্তৃপক্ষ’ৰ সন্দৰ্ভত ‘সংশ্লিষ্ট চৰকাৰ’ৰ সংজ্ঞা ই এনেভাৱে দিছে যাৰ অৰ্থ হ’ল ইয়াক স্থাপন, গঠন বা নিজস্ব কৰা বা প্ৰত্যক্ষভাৱে অথবা প্ৰৰোক্ষভাবে বুজন পৰিমাণৰ পুঁজিৰ যোগান ধৰা হৈছে বা নিয়ন্ত্ৰণ কৰা হৈছে-

(১) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা, কেন্দ্ৰীয় চৰকাৰ
(২) ৰাজ্য চৰকাৰৰ দ্বাৰা, ৰাজ্য চৰকাৰ

এই আইনখন ‘লোক কৰ্তৃপক্ষ’ৰ ক্ষেত্ৰত প্ৰযোজ্য হ’ব যাৰ অৰ্থ হ’ল সংবিধানৰ দ্বাৰা বা সংবিধানৰ অধীনত; প্ৰকৃত চৰকাৰৰ দ্বাৰা সৃষ্টি কৰা আইনৰ দ্বাৰা স্থাপিত বা গঠিত যিকোনো কৰ্তৃপক্ষ বা নিকায় বা স্থানীয় নিকায়ৰ প্ৰতিষ্ঠান, নতুবা আন যিকোনো নিকায়, যি নিকায় প্ৰকৃত চৰকাৰৰ দ্বাৰা দখলপ্ৰাপ্ত, নিয়ন্ত্ৰিত বা প্ৰত্যক্ষ বা প্ৰৰোক্ষভাবে বুজন পৰিমানৰ পুঁজিৰদ্বাৰা সাহাৰ্য্য প্ৰাপ্ত আৰু ই লগতে চৰকাৰৰ দ্বাৰা বুজন পৰিমানৰ পুঁজিৰদ্বাৰা সাহাৰ্য্য প্ৰাপ্ত অনা চৰকাৰী সংস্থাসমূহকো অন্তৰ্ভূক্ত কৰি লৈছে।

এই আইনৰ ক্ষেত্ৰখনে সংসদৰ উভয় সদন, অৰ্থাৎ উচ্চ আৰু নিম্ন সদন, ৰাজ্যিক বিধানসভাসমূহ,উচ্চতম ন্যায়ালয়/উচ্চ ন্যায়ালয়/ প্ৰশাসনিক কাৰ্য্যালয় সমন্বিতে তলতীয়া আদালত সমূহ, নিৰ্বাচন আয়োগ, নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক, কেন্দ্ৰীয় লোকসেৱা আয়োগ ইত্যাদিৰ নিচিনা সাংবিধানিক কৰ্তৃপক্ষসমূহক সামৰি লৈছে। কেৱল ঘৰুৱা আৰু

দেশৰ ভিতৰত কৰ্মৰত বিদেশী ব্যক্তিগত নিকায়সমূহক এই আইনখনৰ এক্তিয়াৰৰ পৰা বাহিৰত ৰখা হৈছে।

আইনখনৰ দফা সাপেক্ষে সকলো নাগৰিকৰে তথ্য জনাৰ অধিকাৰ থাকিব।

তথ্যৰ সহজলভ্যতা মঞ্জুৰ কৰাৰ অৰ্থে এই আইনখন পাছ কৰাৰ পৰা ১২০ দিনৰ ভিতৰত কেতবোৰ বিশেষ শ্ৰেণীভূক্ত তথ্য প্ৰকাশ কৰাৰ অৰ্থে লোক কৰ্তৃপক্ষৰ ওপৰত এই আইনখনে আইনগত বাধ্য-বাধকতা আৰোপ কৰিছে। লোক কৰ্তৃপক্ষৰদ্বাৰা তথ্যৰ জনস্বাৰ্থজড়িত প্ৰকাশৰ দায়িত্ব ভালেখিনি বৃদ্ধি কৰা হৈছে।

তথ্যৰ সহজলভ্যতা মঞ্জুৰ কৰাৰ অৰ্থে আৰু এই আইনখনে লোক কৰ্তৃপক্ষৰ কলা-কৌশল ৰচনা কৰিছে। আইনখন পাছ কৰাৰ পৰা ১০০ ভিতৰত লোক কৰ্তৃপক্ষই লোক তথ্যবিষয়া আৰু সহকাৰী লোকতথ্য বিষয়া মনোনীত কৰিব লাগিব। এহ বিষয়াসকলৰ দায়িত্ব হ'ল- কোনো লোকে তথ্যৰ বাবে কৰা অনুৰোধ চোৱা-চিতা কৰা আৰু তথ্য বিচাৰি অহা লোকক সহায় কৰা।

কোনো এটা অনুৰোধ এটা লোক কৰ্তৃপক্ষৰ দ্বাৰা আন এটা লোক কৰ্তৃপক্ষলৈ হস্থান্তৰ কৰিব পৰাকৈ আইনখনত ব্যৱস্থা ৰখা হৈছে য'ত বিষয়বস্তু বা তথ্যটো পিছৰটো লোক কৰ্তৃপক্ষৰ হাতত মজুত আছে।

আইনখনৰ অধীনত তথ্যৰ বাবে কৰা অনুৰোধ ৰক্ষা কৰাৰ অৰ্থে ৩০ দিনৰ সময়সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে। তৃতীয় পক্ষৰ স্বাৰ্থ জড়িত হৈ থাকিলে এই সময়সীমা ৪০(চল্লিছ) দিনলৈ বৃদ্ধি কৰিব পাৰি।

মাচুল যুক্তিসংগত হোৱাটো বাঞ্চনীয়। লগতে দৰিদ্ৰ সীমাৰেখাৰ অধীনৰ লোকসকলৰ পৰা কোনো মাচুল আদায় কৰিব নোৱাৰিব। তদুপৰি, য'ত সময়সীমা ধৰি দিয়া নাথাকে, তেনেক্ষেত্ৰত তথ্যসমূহ বিনা মাচুলে যোগান ধৰিব লাগিব।

আইনখনৰ ৮ নং আৰু ৯ নং দফাৰ অধীনত কেতবোৰ বিশেষ শ্ৰেণীভুক্ত তথ্যক প্ৰকাশ কৰাৰ পৰা ৰেহাই দিয়া হৈছে । উদাহৰণ স্বৰূপে যিবোৰ শ্ৰেণীৰ তথ্যই দেশখনৰ নিৰাপত্তা বিঘ্নিত কৰিব পাৰে, যুদ্ধৰ ৰণ কৌশল সম্পৰ্কীয় তথ্য, দেশখনৰ বিজ্ঞান সম্পৰ্কীয় বা অৰ্থনৈতিক স্বাৰ্থজড়িত তথ্য, অপৰাধ উদঘাটন তথা তদন্তসম্পৰ্কীয় তথ্য আৰু কেবিনেট কাগজ-পত্ৰৰ তথ্য। তদুপৰি আন কেতবোৰ তথ্যকো প্ৰকাশৰ পৰা ৰেহাই দিয়া হৈছে । তেনে তথ্যবোৰ হ'ল বাণিজ্য বা বাণিজ্যিক গোপনীয়তাৰ তথ্য, যিবোৰৰ প্ৰকাশে সংসদ বা ৰাজ্যিক বিধানসভা সমূহৰ বিশেষাধিকাৰ ভংগ কৰিব পাৰে আৰু কেতবোৰ ব্যক্তিগত তথ্য, যিবোৰৰ ৰাজহুৱা কাৰ্য্যকলাপৰ লগত কোনো সম্পৰ্ক নাই আৰু যিবোৰ তথ্যই কোনো ব্যক্তিৰ ব্যক্তিগত সত্বাক অবাঞ্চিত আক্ৰমণ কৰে। অৱশ্যে, এই ৰেহাই সদায় প্ৰযোজ্য নহ'বও পাৰে আৰু জনস্বাৰ্থৰ খাতিৰত তথ্যৰ নামঞ্জুৰকৰণৰ লগত তথ্য-প্ৰকাশৰ ভাৰসাম্যও ৰক্ষা কৰিব লাগিব। প্ৰকাশ কৰিবলগীয়া তথ্যৰ দ্বাৰা লোক কৰ্তৃপক্ষৰ কিবা ক্ষতি হ'লেও তথ্য প্ৰকাশ কৰিব পাৰি যদিহে লোক কৰ্তৃপক্ষই সন্মুখীন হোৱা ক্ষতিৰ বিপৰীতে ৰাইজে তথ্য জনাৰ উপকাৰিতা অধিক গুৰুত্বপূৰ্ণ হয়।

তিনিটা ব্যতিক্ৰম সাপেক্ষে তথ্য প্ৰকাশৰ বাবে এই আইনখনত এটা দফা সন্নিবিষ্ট কৰা হৈছে। এই দফা অনুসৰি আইনখনৰ ৮নং দফাৰ অধীনত তথ্য প্ৰকাশৰ পৰা ৰেহাই দিয়া বিষয়টো, ঘটনা সংঘটিত হোৱাৰ ২০ বছৰ সম্পূৰ্ণ হোৱাৰ পিছত তথ্য প্ৰকাশ কৰিব পাৰিব।

আইনখনে তথ্যৰ প্ৰকাশক বাতিল কৰিব পৰা নীতিকো অৰ্ন্তভূক্ত কৰিছে।

আইনখনত এটা স্বতন্ত্ৰ অ-ন্যায়িক(নন্-জুডিছিয়েল) মেচিনাৰী সৃষ্টি কৰাৰ কথা ভবা হৈছে। অৰ্থাৎ, দ্বিতীয় পৰ্য্যায়ৰ আবেদনসমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ এজন মুখ্য তথ্য আয়ুক্ত আৰু তথ্য আয়ুক্তসকলক লৈ কেন্দ্ৰীয় তথ্য আয়োগ আৰু ৰাজ্যিক তথ্য আয়োগ গঠন কৰিব বিচৰা হৈছে।

আইনখনত আয়োগে ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত এক বিধিব্যৱস্থা বৰ্ণনা কৰিছে

আইনখনে এক দুখলপীয়া আপীল মঞ্চৰ ব্যৱস্থাও ৰাখিছে। প্ৰথম আপীল লোক তথ্য বিষয়াৰ ওপৰৰ জোষ্ঠ বিভাগীয় বিষায়ালৈ। দ্বিতীয় আপীল আয়োগলৈ।

কোনো তথ্যৰ কাৰণে কৰা আবেদন যদি অগ্ৰাহ্য কৰা হয়, তেনেহ'লে অগ্ৰাহ্য কৰাৰ ৩০ দিনৰ ভিতৰত আবেদনকাৰীয়ে নিৰ্দ্দিষ্ট কৰ্তৃপক্ষলৈ আপীল কৰিব পাৰে; আপীল নিষ্পত্তিৰ সময়সীমা ৩০ দিন যদিও ইয়াক ৪৫ দিনলৈ বৃদ্ধি কৰিব পাৰি।

আইনখনত থকা অনুসূচী ২৩ ত উল্লেখিত চোৰাংচোৱা আৰু নিৰাপত্তা এজেঞ্চীবোৰক আইনখনৰ গণ্ডীৰ ভিতৰত সামৰাৰ পৰা ৰেহাই দিয়া হৈছে। অৱশ্যে এই ৰেহাই চূড়ান্ত নহয়; দুৰ্নীতি আৰু মানৱ অধিকাৰ উলঙ্ঘন কৰিলে তেনে বিষয়ত তথ্য যোগান ধৰিবলৈ এজেঞ্চী দায়বদ্ধ থাকিব।

আইনখনৰ ২৩নং দফাৰ দ্বাৰা গৌণ বা তলতীয়া আদালতৰ বিচাৰ ক্ষমতা প্ৰকাশ্যে অগ্ৰাহ্য কৰা হৈছে।

প্ৰস্তাৱিত আইনখনৰ ব্যৱস্থাৱলী স্বভাৱতে অসংশোধনী কৰা হৈছে, যাতে অন্যান্য গৌণ আইনৰ প্ৰয়োগেৰে আঁচনিখনক কূটাঘাত কৰিব পৰা নাযায়।

নিৰীক্ষণ আৰু প্ৰতিবেদক আইনখনে পৰিসাংখ্যিক হিচাব উলিওৱাৰ এক ব্যৱস্থা ৰাখিছে যাতে লাভ কৰা প্ৰগতিখিনিক সদব্যৱহাৰ কৰিব পৰা যায়।

আইনখনৰ কাম-কাজবোৰ ৰূপায়ন নিৰীক্ষণ কৰিব কেন্দ্ৰীয় তথ্য আয়োগ আৰু ৰাজ্যিক তথ্য আয়োগবোৰে আৰু সংসদ/ৰাজ্যিক বিধান সভা বিলাকত উত্থাপন কৰিবৰ কাৰণে এখন বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব।

"তথ্য পদ্ধতি"ৰ ক্ৰমবিকাশৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কাৰ্য্যসূচী প্ৰস্তুত কৰিব লাগিব।

তথ্য জনাৰ স্বাধীনতা আইন, ২০০২ ক নাকচ/বাতিল কৰা হ'ব।

উৎস : জনসংযোগ,অসম